জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৬৫/২০২৩**

# এইমছ গুৱাহাটীৰ লগতে কোকৰাঝাৰ নলবাৰী আৰু নগাঁৱত নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয় শুভ উদ্বোধন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

## আই আই টি গুৱাহাটীত আছাম এডভান্সড্ হেলথ্‌কেয়াৰ ইন'ভেশ্যন ইনষ্টিটিউটৰ আধাৰশিলা স্থাপন

### ৰাজ্যত ১.১ কোটি আয়ুষ্মান কাৰ্ডৰ বিতৰণৰ আনুষ্ঠানিক শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰীয়ে

## অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৪ এপ্ৰিল ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চাংসাৰিত নৱনিৰ্মিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ) আৰু কোকৰাঝাৰ নলবাৰী আৰু নগাঁৱত নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয়ৰ শুভ উদ্বোধন কৰাৰ লগতে আই আই টি গুৱাহাটীত আছাম এডভান্সড্ হেলথ্‌কেয়াৰ ইন'ভেশ্যন আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ৰাজ্যত ১.১ কোটি আয়ুষ্মান কাৰ্ডৰ বিতৰণৰো আনুষ্ঠানিক শুভাৰম্ভ কৰে। এই উপলক্ষে চাংসাৰিত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমবাসীৰ বাবে আজি এক ঐতিহাসিক দিন। ব'হাগ বিহু অসমৰ জাতীয় জীৱনৰ আয়ুস ৰেখা আৰু এই উৎসৱমুখৰ পৰিৱেশৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৱিত্ৰ অসম ভূমিত উপস্থিত হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে এইমছ গুৱাহাটী অসমবাসী তথা দেশবাসীৰ সেৱাত উৎসৰ্গিত কৰিছে। মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞ অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত এইমছ্ হোৱাতো এক সপোন আছিল। অসমত এইমছৰ সপোন অসমবাসীৰ বুকুত আছিল। এই সপোনে কেতিয়াবা প্ৰাণ পাব সেই কথা অসমবাসীয়ে কল্পনা কৰিব পৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১১২৩ কোটি টকা ব্যয়ৰে ৭৫০ খন বিছনাযুক্ত এইমছ আজি আমাৰ বাবে সপোন নহয়, এক বাস্তৱত পৰিণত হৈছে। এই ক্ষেত্ৰত সন্মুখৰ পৰা নেতৃত্ব দি এই এইমছক বাস্তৱত পৰিণত কৰাৰ বাবে ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী ড° মনসুখ মান্দভিয়াক অসমবাসীৰ হৈ মুখ্যমন্ত্ৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ বাবে অসম চৰকাৰৰ এক পণ আৰু লক্ষ্য আছে। সেই পণ আৰু লক্ষ্যক বাস্তৱায়িত কৰাৰ দিশত ৰাজ্য চৰকাৰে আগবাঢ়িছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নগাঁও, নলবাৰী আৰু কোকৰাঝাৰত আজি চিকিৎসা মহাবিদ্যালয় শুভ উদ্বোধন কৰা হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে অসমত ২৪ খন চিকিৎসা মহাবিদ্যালয় গঢ়ি তোলাৰ বাবে লক্ষ্য লৈছে। সেই লক্ষ্যত অহা ৩ বা ৪ বছৰৰ ভিতৰত উপনীত হ'ব পৰা যাব বুলিও তেওঁ কয়। অসমৰ প্ৰতিখন পুৰণি জিলাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ

বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে চিকিৎসা আৰু আভিযান্ত্ৰিক শিক্ষাৰ সমন্বয়ৰে এক প্ৰতিষ্ঠান গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰ আৰু আই আই টি গুৱাহাটীয়ে সংকল্প লৈছে। ইয়াৰ অধীনত আই আই টি গুৱাহাটীৰ চৌহদত এক নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব। এই চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকসকলে উদ্ভাৱনী দিশৰে আগবঢ়াৰ লগতে আই আই টি গুৱাহাটীৰ অভিযন্তাই ভাৰতবৰ্ষক আত্মনিৰ্ভৰশীল কৰাৰ দিশত কাম কৰিব। প্ৰযুক্তিবিদ্যা আৰু আধুনিক চিকিৎসা এই চিকিৎসা প্ৰতিষ্ঠানত উপলব্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে 'লক্ষ্য আৰু পণ আন্ত্যোদয়', দীনদয়াল উপাধ্যায়ৰ এই সপোন বাস্তৱত ৰূপায়ণ কৰাৰ দিশত প্ৰধানমন্ত্ৰীয়ে নিৰন্তৰ কাম কৰি আহিছে। বিনামূলীয়া চাউল, ক'ভিড ভেকচিন প্ৰদান আদিৰ দৰে জনমুখী সেৱাৰে প্ৰধানমন্ত্ৰীয়ে কাম কৰি গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত যিসকল লোকৰ ৰেচন কাৰ্ড আছে সেইসকল লোকে বছৰি ৫ লাখ টকাকৈ আয়ুষ্মান ভাৰত কাৰ্ডৰ জৰিয়তে বিনামূলীয়া চিকিৎসা লাভ কৰিব। তেওঁ কয় যে ১ কোটি ১০ লাখ লোককৈ আজিৰে পৰা আয়ুষ্মান ভাৰতৰ কাৰ্ড ঘৰে ঘৰে বিতৰণৰ কাম আৰম্ভ হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে উত্তৰ পূৰ্বাঞ্চলে আজি নৱজাগৰণৰ দিশেৰে আগুৱাই গৈছে। অসম ভূমিয়ে নতুন বিশ্বাসেৰে নতুন দিগন্ত স্পৰ্শ কৰিবলৈ আগবাঢ়ি গৈছে। প্ৰধানমন্ত্ৰীৰ প্ৰেৰণাত অতি কম সময়ৰ ভিতৰতে অসমক ভাৰতবৰ্ষৰ সৰ্বশ্ৰেষ্ঠ ৰাজ্যসমূহৰ মাজলৈ লৈ যোৱাৰ সংকল্প ব'হাগ বিহুৰ পবিত্ৰ দিনত ল'ব বিচাৰিছো বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া, কেন্দ্ৰীয় স্বাস্থ্য পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী মনসুখ মান্দাভিয়া, ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্ত, কেন্দ্ৰীয় স্বাস্থ্য পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ড° ভাৰতী প্ৰবীণ পাৱাৰে অংশগ্ৰহণ কৰে।

**অঃহাঃ / পুঃডেঃ**
**১৪/৪/২০২৩**